# Universalization of the Membership of the International Solar Alliance (ISA)

January 15, 2021

---

# আন্তঃৰাষ্ট্ৰীয় সৌৰ জোঁটৰ (আই এছ এ) সদস্যতাৰ সাৰ্বজনীনকৰণ

জানুৱাৰী 15, 2021

1. আন্তঃৰাষ্ট্ৰীয় সৌৰ জোঁট যুটীয়াভাৱে মুকলি কৰিছিল ভাৰতৰ মাননীয় প্ৰধান মন্ত্ৰী আৰু ফ্ৰান্সৰ ৰাষ্ট্ৰপতিয়ে চি অ' পি21ত পেৰিচত। ইয়াৰ লক্ষত হৈছে সৌৰ শক্তিৰ বৃহৎ স্থাপনাৰ যোগেদি পেৰিচ বতৰ চুক্তি ৰূপায়ন কৰা। 15 জানুৱাৰী 2021 লৈকে, 89খন দেশে আই এছ এ-ৰ গাঁথনি চুক্তিত স্বাক্ষৰ কৰিছে আৰু ইয়াৰ মাজৰ 72খন দেশে নিজৰ অনুসমৰ্থন জমা দিছে।

2. ভাৰতৰ মাননীয় প্ৰধান মন্ত্ৰীৰ দৰ্শন অনুসৰণ কৰি ক্ৰান্তীয়ৰ আগলৈ আন্তঃৰাষ্ট্ৰীয় সৌৰ জোঁটৰ সদস্যতাৰ সাৰ্বজনীনকৰণ অৰ্জন কৰাৰ, আই এছ এ-ৰ প্ৰথম সাধাৰণ সভাই, যি 3 অক্টোবৰ 2018 তাৰিখে অনুষ্ঠিত হৈছিল, আন্তঃৰাষ্ট্ৰীয় সৌৰ জোঁটৰ স্থাপনৰ গাঁথনি চুক্তিৰ সংশোধন গ্ৰহণ কৰে, আই এছ এ-ৰ সদস্যতা ৰাষ্ট্ৰ সংঘৰ সকলো সদস্য দেশৰ বাবে মুকলি কৰাৰ।

3. আই এছ এ-ৰ গাঁথনি চুক্তিৰ বাধ্যতামূলক নিয়ম অনুযায়ী প্ৰয়োজনীয় সংখ্যক আই এছ এ সদস্য দেশৰ পৰা বশ্যক অনুসমৰ্থন / অনুমোদন / গ্ৰহণসমূহ পোৱাৰ পিছত, উল্লেখিত সংশোধন বলৱৎ হয় 8 জানুৱাৰী 2021 তাৰিখৰ পৰা। আই এছ এ গাঁথনি চুক্তিৰ সংশোধন বলৱৎ হোৱাৰ ফলত ৰাষ্ট্ৰ সংঘৰ সকলো সদস্য ৰাষ্ট্ৰই আন্তঃৰাষ্ট্ৰীয় সৌৰ জোঁটত যোগ দিব পাৰিব, ক্ৰান্তীয় দেশসকলকো ধৰি।

4. আই এছ এ-য়ে লক্ষ্য কৰিছে দেশসমূহক একেলগ কৰাৰ এক সংযুক্ত প্ৰতিক্ৰিয়া প্ৰদান কৰাৰ বাবে সৌৰ শক্তিৰ বৃহৎ স্থাপনাৰ মুখ্য পাৰস্পৰিক বাধাৰ প্ৰতি প্ৰযুক্তি, অৰ্থ আৰু ক্ষমতাৰ ক্ষেত্ৰত। আই এছ এ-ৰ লক্ষ্য হৈছে সদস্য দেশসমূহক চলন্ত কৰা, আন্তঃৰাষ্ট্ৰীয় সংগঠনসমূহৰ পৰা প্ৰতিশ্ৰুতি বিচৰা আৰু ব্যক্তিগত খণ্ডক চলন্ত কৰা, গামীণ আৰু অকেন্দ্ৰীক প্ৰয়োগ সমৰ্থন কৰা, বহনযোগ্য অৰ্থৰ সুবিধা, দ্বীপ আৰু গাওঁৰ সৌৰ মিনি গ্ৰিড, চাদৰ ওপৰত স্থাপন, আৰু সৌৰ ই-চলাচল প্ৰযুক্তি।

**নতুন দিল্লী**
**জানুৱাৰী 15, 2021**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.